بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ   نَحۡمَدُهٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِهِ الۡكَرِيۡمِ   وَعَلٰی عَبۡدِهِ الۡمَسِيۡحِ الۡمَوۡعُوۡدِ

# খোতবা জু’মা

**ছৈয়েদেনা হুজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ১০ মাৰ্চত লণ্ডনৰ বায়তুল ফুতুহ মছজিদত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

ওয়াকফে নও ল’ৰা সকলে বেছি বেছিকৈ জামিয়া আহমদীয়ালৈ অধ্যয়ণৰ বাবে অহা উচিত। মাক-দেউতাকে ল’ৰা বিলাকক সৰুৰে পৰাই এইফালে মনযোগ আকৰ্ষিত কৰি থাকক আৰু তেওঁলোকক এনেকুৱা তৰবিয়ত দিয়ক যাতে তেওঁলোকৰ মাজত জামিয়া আহমদীয়াত ভৰ্তি হোৱাৰ আগ্ৰহ জন্মে।

মনত ৰাখিবলগীয়া প্ৰথম কথাটো হ’ল যে ব্যাৱস্থাপনাৰ ফালৰ যি দায়িত্ব তেওঁলোকৰ ওপৰত ন্যাস্ত কৰা হয় তাৰ আনুগত্য কৰে আৰু নিজৰ আনুগত্যৰ আদৰ্শ দেখুৱায় আৰু মৌনতা অৱলম্বণ কৰা উচিত যাতে জমাতত কোনো অশান্তিৰ সৃষ্টি নহয়।

সদৰ আৰু আমিৰ সকলক মই জনাওঁ যে মুৰব্বী সকলৰ সন্মান প্ৰতিষ্ঠিত কৰে। সদৰ জমাত, আমিৰ জমাত সকলৰ উচিত যে তেওঁলোকে মুৰব্বী সকলৰ সন্মানৰ সৈতে সহায় সহযোগ আৰু পৰামৰ্শ দিয়া উচিত।

সদৰ নাইবা আমিৰ সকলে সকলো ক্ষমতা নিজৰ হাতত ৰাখি নিজৰ ইচ্ছাৰে চলোৱাৰ চেষ্টা কৰা উচিত নহয়। আৰু মুৰব্বী সকলে নিজৰ সিদ্ধান্ত সঠিক বুলি ভাৰি তাৰ ওপৰত আমল কৰা আৰু বেলেগক আমল কৰোৱাবলৈ চেষ্টা নকৰিব বৰং সহায় সহযোগীতাৰে কাম কৰিব।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে ; আল্লাহ তায়লাৰ কৃপাত এতিয়া পৃথিৱীৰ কেইবাটাও দেশত জামিয়া আহমদীয়া প্ৰতিষ্ঠা হৈছে, সেই প্ৰতিষ্ঠান বিলাকৰ পৰা মুৰব্বী সকলে শীক্ষা অৰ্জন কৰি কৰ্মস্থানত আহি গৈছে আৰু আহিবলৈ লৈছে। কেইদিনমান আগত জামিয়া UK আৰু কানাডাত পাচ হৈ যোৱা ছাত্ৰ সকলে ইয়াত UK সন্মিলন অনুষ্ঠিত কৰিছিল। এওঁলোকে শ্বাহিদ ডিগ্ৰি লাভ কৰি নিজকে মুৰব্বী হিচাপে খিদমত কৰিবলৈ আগবঢ়াইছে। এওঁলোকৰ বেছিভাগেই ওয়াকফে নওৰ অন্তৰ্ভূক্ত। পশ্চিমীয়া দেশবোৰত থাকি য’ত জাগতিক জাকজমকতাই প্ৰাধান্যতা লৈছে, তাত নিজকে নিজে ওয়াকফ কৰি আল্লাহ তায়লাৰ দ্বীনৰ সৈনিকত যোগদান কৰাটো নিশ্চয় সিহঁতৰ সৌভাগ্য আৰু দ্বীনক পাৰ্থিৱতাৰ ওপৰত প্ৰাধান্য দিয়াৰ প্ৰতিশ্ৰুতি পূৰ্ণ কৰাৰ বহিঃ প্ৰকাশ। কিন্তু এয়া মনত ৰাখিব লগীয়া যে এয়া একমাত্ৰ আল্লাহ তায়লাৰ কৃপা অবিহনে সম্ভৱ নহয়। গতিকে এয়া আল্লাহ তায়লাৰ কৃপাৰ ফল ধৰি লৱ লাগিব আৰু তাৰ আগত নতশীৰ হৈ তাৰেই কৃপা সদায় অনুসন্ধান কৰা উচিত। মই সন্মিলনত এয়াও কৈছিলো যে জমাতৰ মুৰব্বী আৰু মোয়াল্লিমৰ প্ৰয়োজন আছে আৰু এয়া এটা ডাঙৰ প্ৰয়োজনতা যি দিনক দিনে বাঢ়ি গৈ আছে। গতিকে ওয়াকফে নও ডেকা সকলে বেছি বেছিকৈ জামিয়া আহমদীয়ালৈ অধ্যয়নৰ বাবে অহা উচিত। মাক-দেউতাকে ল’ৰা বিলাকক সৰুৰে পৰাই এইফালে মনযোগ আকৰ্ষিত কৰি থাকক আৰু তেওঁলোকক এনেকুৱা তৰবিয়ত দিয়ক যাতে তেওঁলোকৰ মাজত জামিয়া আহমদীয়াত ভৰ্তি হোৱাৰ আগ্ৰহ জন্মে।

ওয়াকফে নও ল’ৰা সকলে জমিয়াত ভৰ্তি হোৱাৰ চেষ্টা কৰা উচিত আৰু যেনেকৈ মই কৈছো যে ইয়াৰ বাবে তেওঁলোকৰ মাক দেউতাকে সিহঁতক সাজু কৰিব লাগিব। বৰ্তমানে কৰ্মস্থলীলৈ আহিব লগীয়া মুৰব্বী সকলৰ মনত যিবোৰ প্ৰশ্নই দেখা দিছে সেইবোৰ উল্লেখ কৰিবলৈ লৈছো। মুৰব্বী সকলৰ মনত প্ৰশ্ন উঠে যে আমালোকৰ কামত কিমানদুৰ হস্তক্ষেপ কৰিব পাৰে, আমালোকৰ কামৰ সীমা কিমান দুৰলৈ ? কোনো কোনো সময়ত মুৰব্বীয়ে তৰবিয়তৰ ক্ষেত্ৰত এটা বিষয় উত্তম বুলি ভাৱে আৰু সেয়া ভাল বুলি জমাতত বিস্তাৰ কৰিব বিচাৰে তেতিয়া সদৰ জমাত কয় যে এয়া মই বুজি পোৱা নাই এইটো এনেদৰে কৰিব লাগিব। তেন্তে মনত ৰাখিব লগীয়া এয়া যে ব্যাৱস্থাপনাৰ ফালৰ পৰা যিটো তাৰ ওপৰত ন্যাস্ত কৰা হৈছে তেওঁ আনুগত্য কৰা উচিত। যদি কোনো ধৰণৰ হস্থক্ষেপ আহে তেন্তে নিজৰ

ন্যাশ্বনেল আমিৰ অথবা সদৰ অথবা মৰকজত জনাব অথবা মৌলৈ লিখিব পাৰে। এনেদৰে সদৰ জমাত আৰু আমিৰ সকলক কব বিচাৰো যে তেওঁলোকে মুৰব্বী সকলৰ সন্মান প্ৰতিষ্ঠিত কৰক। সদৰ জমাত, আমিৰ জমাত সকলৰ উচিত যে তেওঁলোকে মুৰব্বী সকলক সন্মানৰ সৈতে সহায়, সহযোগ আৰু পৰামৰ্শ দিয়া উচিত। এনেদৰে বাকী পদাধিকাৰী সকলেও নিজৰ নিজৰ ক্ষেত্ৰত মুৰব্বী সকলৰ সৈতে সহযোগ আগবঢ়াৰা উচিত আৰু মুৰব্বী সকলেও বিনম্ৰ ভাৱে আৰু তাকওয়াৰ সৈতে সদৰ জমাত আৰু আমিৰ জমাতৰ সৈতে পূৰ্ণ ভাৱে সহযোগীতা কৰিব লাগিব। উদ্দেশ্য আমালোক সকলোৰে এটাই যে জমাতৰ সদস্য বৃন্দক শিক্ষা-দীক্ষা আৰু নিজামে জমাতৰ প্ৰতি সন্মান প্ৰতিষ্ঠিত কৰা, খিলাফতৰ সৈতে দৃঢ় সম্পৰ্ক সৃষ্টি কৰা আৰু তৌহিদ কায়েম কৰা। ইছলামৰ প্ৰকৃত মনোৰম শিক্ষা পৃথিৱীক বিলাই দিয়া। ইয়াত সীমা আৰু ক্ষমতাৰ বাৰু কি প্ৰশ্ন উঠিব পাৰে ? পৰস্পৰে একতাৰ মাজেৰে কাম কৰি যাব লাগে।

এই বিষয়ে আল্লাহ তায়লাৰ এই প্ৰাথমিক নিৰ্দেশ আগত ৰাখিব লাগে যে وَتَعَاوَنُوا عَلَى الْبِرِّ وَالتَّقْوٰى অৰ্থাৎঃ- নেকি আৰু তাকওয়া সম্পন্ন কামত পৰস্পৰে এজনে আনজনক সহায় কৰা। যিকোনো ধৰণতেই জমাতৰ সেৱা কৰাৰ তৌফিক নিমিলক কিয়, ইয়াতকৈ ডাঙৰ পূণ্য আৰু নাই। জমাতৰ সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰত তাকওয়াইহে প্ৰকৃত আৰু গ্ৰহণযোগ্য খিদমতৰ সামৰ্থ্য প্ৰদান কৰিব পাৰে। এই কামৰ উদ্দেশ্যই হ'ল আল্লাহ তায়লাৰ ভয় হৃদয়ত ৰাখি তাৰ সন্তুষ্টি অৰ্জন কৰা। এয়া দেখিবলৈ পোৱা যায় যে মাজে সময়ে কৰবাত সদৰ জমাত নাইবা পদাধিকাৰী আৰু মুৰব্বী সকলৰ মাজত সামান্য সম্পৰ্ক ছেদ চলিছে নাইবা অকণমান পৰস্পৰে অভিযোগ তুলিছে তেন্তে তাত চয়তানে সুমোৱাৰ চেষ্টা চলয়া। তেতিয়া পূণ্য আৰু তাকওয়াবা মূল দোদোল্যমান হ'বলৈ আৰম্ভ কৰে। কিছুমানে মুৰব্বী সকলক সহানুভূতি দেখুৱাই কবলৈ আৰম্ভ কৰে যে সদৰ জমাত আপোনাৰ লগত ভাল আচৰণ কৰা নাই। আনফালে কিছুমানে সদৰ জমাতক কয় যে মুৰব্বী সকলৰ আচৰণ এয়া হ'ব নালাগিছিল। ফলস্বৰূপে লোক সকলৰ মাজত অশান্তিৰ সৃষ্টি হৈ পৰে। হজৰত মছিহ মাওউদ (আঃ) যে কৈছে যে ; চোৱা ! সেই জমাত, জমাত হ'ব নোৱাৰে য'ত পৰস্পৰে উল্টা-পাল্টা কয় আৰু যেতিয়া দুই চাৰিজনমিলি বহে তেতিয়া নিজৰে এজন দুখীয়া ভায়েকৰ প্ৰতি অভিযোগ আনে সমালোচনা কৰি থাকে। উল্লেখ কৰে যে এনেকুৱা কেতিয়াও হ'ব নালাগে। একমতৰ ওপৰত বিতণ্ডা উঠিলে ঐক্যক ধৰি ৰখা যাতে শক্তিৰ জন্ম হয়, উৎসাহৰ জন্ম হয় আৰু একাত্মৰ জন্ম হয় যাৰ পৰা প্ৰেমৰ উদয় হয় লগতে কল্যাণৰ জন্ম হয়। উল্লেখ কৰে যে ; চাৰিত্ৰিক বল বঢ়াই যোৱা আৰু এয়া তেতিয়াহে সম্ভৱ হ'ব যেতিয়া সহানুভূতি, প্ৰেম, দয়া, কৰুণা আদি বিস্থাৰ লাভ কৰিব আৰু সকলো ত্ৰুটি বিচ্যুতি মাৰ্জনা কৰায় প্ৰাধান্য লাভ কৰিব।

হুযুৰ আনোৱাৰ (আইঃ) যে কয় যে ; এয়া বুজুৱা হোৱা নাই যে দুৰভাগ্যবশতঃ জমাতৰ পদাধিকাৰী, সদৰ আমিৰ আৰু মুৰব্বী সকলৰ মাজত সদায় মতানৈক্য দেখিবলৈ পোৱা যায়। নহয় ! কেতিয়াও এইটো কথা নহয়। মই এই সকলোবোৰ কথা মুকলিমুৰীয়া ভাৱে কোৱাৰ কাৰণ হ'ল যে যাতে সদৰ, আমিৰ আৰু মুৰব্বী সকলে জানিব পাৰে যে তেওঁলোকৰ কাম অতি বহল আৰু ডাঙৰ লগতে এটা গুৰুত্বপূৰ্ণ উদ্দেশ্য আমালোকৰ সন্মুখত আছে। যদি দুৰভাগ্য ক্ৰমে খোদা নকৰক কোনো ধৰণৰ পাৰস্পৰিক মতানৈক্য উদ্ভৱ হয় তেন্তে সেয়া অনতিপলমে সমাধান হোৱা উচতি কাৰণ মাজে সময়ে দেখা যায় যে পাৰস্পৰিক মতভেদ সিমানতে সীমাবদ্ধ নাথাকি জমাতৰ সদস্য বৃন্দৰ ওপৰতেও প্ৰভাৱ পেলায়। গতিকে ব্যৱস্থাপনাৰ ফালৰ পৰা তৰবিয়ত সম্পৰ্কে যি দায়িত্ব সিহঁতৰ ওপৰত ন্যাস্ত কৰা হৈছে সেয়া দুয়ো পক্ষই মিলিজুলি চলাই যাব লাগিব। হজৰত মছিহ মাওউদ (আঃ) যে বৰ্ণনা কৰিছে যে শুদ্ধ ফলাফল তেতিয়া অৰ্জন হ'ব যেতিয়া সকলোৱে একমতহৈ কাম কৰিব। যিটো কাম দুহাতেৰে কৰিব লগীয়া সেয়া এক হাতেৰে সমাধা নহয় আৰু যি খিনি বাট দুই ভৰিৰে খোজ কাঢ়ি যাব লগীয়া সেইখিনি বাট কেৱল এখন ভৰিৰে খোজ দি পাৰ হ'ব নোৱাৰি।

সেয়ে সদৰ নাইবা আমিৰে সকলো আধিপত্য (ক্ষমতা) নিজৰ হাতত লৈ নিজৰ ইচ্ছানুসৰি কাম চলোৱাৰ চেষ্টা কৰিব নেলাগে। আনহাতে মুৰব্বী সকলেও নিজৰ সিদ্ধান্ত শুদ্ধ বুলি ভাৱি তাৰ ওপৰত আমল কৰা আৰু আনক কৰোৱাৰ চেষ্টা কৰা ঠিক নহয় বৰং মিলিজুলি কাম কৰা উত্তম। জমাতৰ তৰবিয়তী দায়িত্ব মুৰব্বী সকলৰ ওপৰত কাৰণ সিহঁতৰ দ্বীনি শিক্ষা বেছি আছে বা সাধাৰণতে বেছি হ'ব লাগে। তেওঁলোকে আধ্যাত্মিকতা বৃদ্ধি কৰাৰ চেষ্টা কৰা ওচিত কাৰণ তেওঁলোকৰ তাকওয়াৰ মান সাধাৰণ মানুহতকৈ উন্নত হোৱাটো বাঞ্চনীয়। যেতিয়া এই কথাবোৰ মুৰব্বী

সকলে বুজি পাব আৰু সেই অনুযায়ী কাম কৰিব তেতিয়া পদাধীকাৰী আৰু জমাতৰ সদস্য বৃন্দৰ মাজত আপোনা-আপুনি মুৰব্বী সকলৰ এটা মৰ্যদা প্ৰতিষ্ঠিত হ'ব। সদৰ, আমিৰ জমাত সকলে মনত ৰাখিব যে ব্যৱস্থাপনাৰ নেতা হোৱাৰ বাবে তেওঁলোকে জমাতী নিজাম শুদ্ধ ভাৱে পৰিচালনা কৰাৰ দায়িত্বও তেওঁলোকৰ ওপৰত। উক্ত কাম সম্পাদনাৰ্থে খলিফা তেওঁলোকক নিজৰ প্ৰতিনিধি স্বৰূপ বনাইছে। এনেদৰে জমাতৰ দ্বীনি, ৰোহানি, উন্নতিৰ বাবে যথাসম্ভৱ উপায় অৱলম্বন কৰাটো মুৰব্বী সকলৰ দায়িত্ব। এই ক্ষেত্ৰত তেওঁলোক খলিফা ওয়াক্তৰ প্ৰতিনিধি। গতিকে আমিৰ সকল, সদৰ আৰু মুৰব্বী সকলে সহযোগ থকা উচিত আৰু এটা স্কিমৰ অধীনত কাম কৰিব লাগে। তেতিয়াহে জমাতি ব্যৱস্থাপনা সুদৃঢ় হ'ব। তেতিয়াহে ৰোহানি, শৈক্ষিক মানদণ্ড উন্নতি হ'ব।

মই আগতেই উল্লেখ কৰি আহিছো যে সদৰ, আমিৰ আৰু জমাতৰ অন্যান্ন পদবীদাৰী সকলে ওয়াকফে জিন্দেগী আৰু মোবাল্লিগ সকলৰ প্ৰতি হৃদয়ত সন্মান, স্নেহৰ জন্ম দিব লাগিব। এওঁলোকক ইজ্জৎ দিলেহে সমাজত ওয়াকফে জিন্দেগীৰ যি মানদণ্ড সেয়া প্ৰকাশ পাব। বিশেষকৈ ডেকা সকলে জমাতৰ খিদমত কৰিবলৈ আগবাঢ়ি আহিব লাগে। ওয়াকফে নও ডেকা সকলে নিজকে নিজে জমাতৰ খিদমতৰ বাবে উৎসাহিত কৰিব লাগে। ওয়াকফে নও ডেকা আৰু কৰ্তব্যৰত মুৰব্বী সকলক মই কব বিচাৰো যে ; লোকে আপোনালোকৰ মৰ্যদা, স্থান বুজি পাওঁক আৰু নাপাওঁক, কোনো সদৰ বা পদবীদাৰী নাইবা কোনো জমাতিয়ে আপোনালোকক সন্মান কৰক বা নকৰক আপোনালোকে আল্লাহ তায়লাৰ আগত লোৱা কোৰবাণীৰ শপত নেক নিয়তৰ সৈতে পালন কৰি যাওঁক। যিহেতু মুৰব্বী হৈছে, গতিকে সকলো বিষয়তে খোদা তায়লাৰ আগত নতশীৰ হ'ব লাগিব লোকৰ আচৰণ ভ্ৰুক্ষক্ষেপ কৰিব নালাগে। যদি কোনো ধৰণৰ অভিযোগ উত্থাপন হয় সেয়া লোকলৈ ক'ব নেলাগে বৰং খোদা তায়লাৰ সমীপত নতশীৰ হ'ব লাগে। যদি কোনো পদাধিকাৰী জমাতৰ বাবে লাভদায়ক অথবা অনুকুলে নহয় তেন্তে খোদাৰ ওচৰত প্ৰাৰ্থনা কৰিব যে এনে পদবীদাৰি লোকৰ পৰা ৰেহাই দিয়ক। মই পদবীদাৰি আৰু মুৰব্বী দুয়োকে ক'ব বিচাৰো যে যিহেতু আমি বিচাৰো যে জমাতৰ সদস্য বৃন্দৰ ঘৰত আমাৰ বিষয়ে চৰ্চা নহওক। এনেদৰে সদৰ, আমিৰ, পদাধিকাৰী, মুৰব্বী সকলৰ ঘৰতও এজনে আনজনক সমালোচনা কৰিব নালাগে। হয় ! নিৰ্দ্ধাৰিত কথাবোৰ আলোচনা কৰিব পাৰে। যাতে মুৰব্বী আৰু পদাধিকাৰী সকলৰ বংশধৰ সকলৰ মাজত নিজামে জমাত, ওয়াকফে জিন্দেগী আৰু জমাতৰ খিদমত কাৰী সকলৰ প্ৰতি সন্মান প্ৰদৰ্শনৰ অনুভূতি জন্মে। বিশেষকৈ সদৰ আৰু আমিৰ জমাতে মনত ৰাখিব যে জমাতৰ সদস্য সকলৰ প্ৰতি সদায় প্ৰেম ভালপোৱা বিস্তাৰিত ৰাখিব লাগিব। তেওঁলোকৰ জমাতৰ সকলোৱে যেন ভাৱে যে আমি নিৰাপত্তাৰ চাদৰৰ তলত আছো। সদায় হাঁহি মুখেৰে, নম্ৰতাৰে কথা পাতিব। দফতৰৰ আসন আপোনাৰ অহংকাৰৰ কাৰণ নহৈ বিনয়ীৰ জন্ম দিব লাগে। মুৰব্বী আৰু পদবীদাৰৰ দৰ্জা সদায় সকলোৰে বাবে উন্মোক্ত থাকিব লাগিব। যিকোনো সমস্যা এটা অনতি পলমে সমিধান দিয়াৰ চেষ্টা কৰিব। প্ৰত্যেক পদাধিকাৰীয়ে সদায় মনত ৰাখিব যে জমাতৰ পদবী কোনো গৌৰৱৰ কাৰণ নহয় বৰং নম্ৰতা বিস্তাৰৰ বাবেহে। গতিকে সকলো সিদ্ধান্ত আৰু কাম আল্লাহ তায়লাৰ ভয় হৃদয়ত ৰাখি নম্ৰতাৰে ন্যায়ৰ মাজেদি সম্পূৰ্ণ কৰাৰ চেষ্টা কৰিব লাগিব। আঁহজৰত (ছাঃ) য়ে ক্ষমতাধাৰী আৰু হাকিম সকলক নিৰ্দেশ দিছিল যদি সেইবোৰ প্ৰত্যেক পদাধীকাৰী সকলে মানি চলে তেন্তে নিজৰ কামৰ মান ন্যায় পূৰ্ণ কৰাত কেইবা গুণ বৃদ্ধি পাব। এবাৰ তেখেত (ছাঃ) য়ে কৈছিল যে ; যিজনক আল্লাহ তায়লা লোকৰ পৰিচালক বনায় তেওঁ যদি নিজৰ দায়িত্ব পালনত অলসতা দেখুৱায় তেন্তে মৃত্যুৰ পিছত তাৰ বাবে বেহেস্ত হাৰাম কৰি দিব। চাওঁক এয়া কিমান কঠিন নিৰ্দেশ, মানুহক ভয়াতুৰ কৰি দিয়ে। যদি খোদা তায়লা আৰু আখেৰাতৰ ওপৰত বিশ্বাস আছে তেন্তে প্ৰত্যেক পদাধিকাৰীয়ে নিজৰ কাম চৰম ভয়াতুৰ অৱস্থাত সম্পাদন কৰক।আঁহজৰত (ছাঃ) য়ে কৈছে যে ; কিয়ামতৰ দিনা ন্যায়বান হাকিম আল্লাহ তায়লাৰ আটাইতকৈ প্ৰিয় আৰু ওচৰত থাকিব। অত্যাচাৰী হাকিম আল্লাহ তায়লাৰ পৰা আটাইতকৈ দৰৰত আৰু অপছন্দনীয় হৈ থাকিব। গতিকে নিজৰ দায়িত্ব নিকাকৈ পালন কৰা উচিত। এনেদৰে জেলি তনজিমৰ পদাধীকাৰী সকলেও নিজৰ দায়িত্ব বুজি পাওঁক। আনছাৰ, খোদ্দাম, লাজনা তনজিম সকলোৱে নিজৰ নিজৰ বিভাগত কাৰ্য্যকৰী ব্যৱস্থা লওঁক। যদি পাৰস্পৰিক সহযোগীতা আৰু সকলো জেলি তনজিম আৰু জমাতি নিজাম কাৰ্যকৰী ভূমিকা লয় তেন্তে জমাতৰ উন্নতিৰ বেগ কেইবাগুণ বৃদ্ধি পাব।

উল্লেখনীয় এয়া সকলো পদাধিকাৰীয়ে মনত ৰাখিব যে যদি কোনোবাই তাৰ সন্মুখতে তাৰ বিৰুদ্ধে অভিযোগ উত্থপন কৰে তেন্তে সেয়া শুনাৰ ধৈৰ্য্য থাকিব লাগিব। পদাধিকাৰী সকলৰ মাজত আটাইতকৈ বেছি ধৈৰ্য্য গুণ থাকিব

লাগিব। সকলোতে পোতক তুলাৰ সলনি নিজৰ সংশোধণৰ চেষ্টা কৰিব লাগিব। নিজকে গমি চাব লাগিব যে নিজৰ মাজত কোনো ধৰণৰ বেয়া বৈ আছে নেকি ? এই কথাখিনিও ন্যায় সম্পাদনৰ বাবে অতি প্ৰয়োজন। জমাতৰ সকলো সদস্য বৃন্দক মই কব বিচাৰো যে তেওঁ লোকেও নিজৰ তাকওয়াৰ মান উন্নত কৰক। নেকি আৰু তাকওয়াৰ ক্ষেত্ৰত সহযোগীতা কৰাৰ নিৰ্দেশ তেওঁলোকৰ বাবেও বৈ আছে। যদি জমাতৰ সদস্য সকলৰ তাকওয়া আৰু নেকিৰ মান বেছি উন্নত হয় তেন্তে পদাধীকাৰী সকল নিজে নিজেই তাকওয়াৰ উপৰত চলিবলৈ আৰম্ভ কৰিব। জমাতৰ প্ৰত্যেক সদস্যই নিজৰ নিজৰ ফৰজ পূৰ্ণ কৰা উচিত যিবোৰ ইতায়েতৰ (আনুগত্য) যোগেদি তেওঁলোকৰ ওপৰত ন্যাস্ত হৈছে। আনুগত্য কৰাটো এটা ডাঙৰ ফৰজ। যি জমাতৰ সদস্য সকলৰ ওপৰত ন্যাস্ত কৰা হৈছে যে তোমালোকে আনুগত্য কৰা। নিজৰ ভৱিষ্যৎ প্ৰজন্মক শিকাব লাগে যে আমি নিজৰ ফৰজ আদায় কৰিব লাগিব। আনন্দ-উল্লাস, দুখ, সুখ, অন্যায়-অবিচাৰ সকলোতে উত্তম আচৰণৰ সৈতে আনুগত্য কৰিব লাগিব।

আল্লাহ তায়লা কৰক যাতে আমালোকৰ সকলো কাম খোদা তায়লাৰ সন্তুষ্টি অৰ্জনাৰ্থে সম্পাদন হয়। আমালোকৰ বৰ্তমান যুগত আল্লাহ তায়লাৰ প্ৰেৰিত আৰু আঁহজৰত (ছাঃ) ৰ সত্যপ্ৰাণ দাসৰ জমাতত অন্তৰ্ভূক্ত হোৱাৰ হক আদায়কাৰী বনাওঁক। (আমিন)

**********

**Assamess Khulasa Khutba Jumma Huzoor Anwar 10 March 2017**

**BOOK POST (PRINTED MATTER)**

**To**

________________________________

________________________________

________________________________

**From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890**